ULB

# Assamese Unlocked Literal Bible

## থিচলনীকীয়া সকলৰ প্ৰতি দ্বিতীয় পত্ৰ

### সংস্কৰণ 4

[as]

No warranties are given. The license may not give you all of the permissions necessary for your intended use. For example, other rights such as publicity, privacy, or moral rights may limit how you use the material.

# সুচিপত্ৰ

**২ থিচল** 5
‘দ্বিতীয় থিচলনীকীয়া পত্ৰ’ৰ পাতনি 5
5
Chapter 1 5
১ অধ্যায় 2 6
২ অধ্যায় 3 6

**অবদানকাৰী** 8
Assamese Unlocked Literal Bible অবদানকাৰী 8
Tischendorf Greek New Testament 8th edition অবদানকাৰী 8

# ২ থিচল

## ‘দ্বিতীয় থিচলনীকীয়া পত্ৰ’ৰ পাতনি

‘থিচলনীকীয়া সকলৰ প্ৰতি দ্বিতীয় পত্ৰ’খন সাধু পৌলে লিখিছিল (1:1)। প্ৰভু যীচু খ্ৰীষ্টৰ জন্মৰ প্ৰায় 51 বছৰ পাছত, ‘প্ৰথম থিচলনীকীয়া পত্ৰ’ৰ পিচতেই তেওঁ এই পত্ৰখন লিখিছিল। থিচলনীকীয়াত থকা মণ্ডলীসমূহলৈ এই পত্ৰখন লিখোতে পৌল কৰিন্থত আছিল। তেওঁৰ দ্বিতীয় শুভবাৰ্তা প্ৰচাৰ যাত্ৰাৰ কালত এই মণ্ডলী সমূহ প্ৰতিষ্ঠা কৰিছিল (পাঁচনিকৰ্ম 17:1-10)। ‘পাঁচনি সকলৰ কৰ্ম’ৰ পুস্তকখনে ক’ব খোজে যে, কিছুমান ইহুদী আৰু অনেক গ্ৰীক লোকক লৈ এই মণ্ডলী সমূহ প্ৰতিষ্ঠা কৰিছিল।

থিচলনীকীয়াৰ মণ্ডলী সমূহে শেষৰকাল আৰু খ্ৰীষ্টৰ দ্বিতীয় আগমনৰ বিষয়ে চিন্তা কৰিছিল, কাৰণ পৌলে ইয়াৰ বিষয়ে যথেষ্ট কথা থিচলনীকীয়াসকললৈ দিয়া পত্ৰখনত লিখিছে। ‘দ্বিতীয় থিচলনীকীয়া পত্ৰ’ৰ প্ৰায় অৰ্ধভাগতেই শেষকালৰ বিষয়ে উল্লেখ আছে। সাধু পৌলে এই পত্ৰত আলস্যৰ বিষয়েও সাৱধান কৰি দিছে। প্ৰত্যেক ব্যক্তিয়ে নিজৰ আহাৰৰ বাবে পৰিশ্ৰম কৰা উচিত।

চমূ বিৱৰণঃ ইয়াত সাধু পৌলে আৰম্ভণীতে নিজকে আৰু তেওঁ সহচৰ সকলক পৰিচয় কৰাইছে (1:1-2)। তাৰ পিছত তেওঁ থিচলনীকীত থকা মণ্ডলীসমূহৰ বাবে ঈশ্বৰক ধন্যবাদ দি তেওঁলোকৰ বাবে প্ৰাৰ্থনা কৰিছে (1:3-12)। দ্বিতীয় অধ্যায়ত সাধু পৌলে শেষকালৰ বিষয়ে উল্লেখ কৰিছে। তাৰ পিছত তেওঁ আলস্য আৰু পৰিশ্ৰমৰ প্ৰয়োজনীয়তাৰ বিষয়ে দোহাৰিছে (3:1-15) ইয়াত সাধু পৌলে পুণৰ মণ্ডলী সমূহক সম্ভাষণ জনাই সামৰণী মাৰিছে (3:16-18)।

## Chapter 1

**1**পৌল, চীল আৰু তীমথিয়, আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টত থকা থিচলনীকীয়া সকলৰ মণ্ডলীৰ সমীপলৈ- **2**পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু
খ্ৰীষ্টৰ অনুগ্ৰহ আৰু শান্তি আপোনালোকৰ সহবৰ্তী হওক।

**3**ভাই সকল, আপোনালোকৰ কাৰণে আমি সদায় ঈশ্বৰক ধন্যবাদ দিওঁ; আমি এনেদৰে ধন্যবাদ কৰা উচিত, কাৰণ আপোনালোকৰ বিশ্বাস
অতিশয়ৰূপে বৃদ্ধি পাইছে আৰু আপোনালোক সকলোৰে প্ৰেমত পৰস্পৰৰ প্ৰতি উপচি পৰিছে; **4**আপোনালোকে যি সকলৰ পৰা তাড়না আৰু
ক্লেশ সহন কৰি আছে, সেই সকলৰ মাজতো আপোনালোকে যে বিশ্বাস আৰু ধৈৰ্যত স্থিৰে আছে, তাৰ কাৰণে আমি ঈশ্বৰৰ বিভিন্ন মণ্ডলীত
আপোনালোকৰ বিষয়ে কৈ গৰ্ব বোধ কৰোঁ।

### ঈশ্বৰৰ বিচাৰৰ বিষয়ে পৌলৰ শিক্ষা

**5**এইবোৰ বিষয় ঈশ্বৰৰ ন্যায় সোধ-বিচাৰৰ এক স্পষ্ট লক্ষণ, যাৰ ফলত ঈশ্বৰৰ যি ৰাজ্যৰ কাৰণে আপোনালোকে দুখভোগ কৰিছে, সেই
ৰাজ্যৰ যোগ্যপাত্ৰৰূপে আপোনালোক গণিত হ’ব। **6**ঈশ্বৰৰ দৃষ্টিত ন্যায়-বিচাৰ এই, যি সকলে আপোনালোকক ক্লেশ দিয়ে, তেওঁ সেই সকলক
নিশ্চয় ক্লেশ দিব, **7**আৰু আপোনালোক যি সকলে এতিয়া ক্লেশ পাইছে, আপোনালোকক আমাৰ লগত ঈশ্বৰে বিশ্ৰাম দিব। যেতিয়া প্ৰভু যীচু
তেওঁৰ পৰাক্ৰমেৰে দূত সকলৰ সৈতে স্বৰ্গৰ পৰা নামি আহি প্ৰকাশিত হ’ব, তেতিয়া এইবোৰ ঘটিব। **8**যি সকলে ঈশ্বৰক নাজানে আৰু আমাৰ
প্ৰভু যীচুৰ শুভবাৰ্তাৰ আজ্ঞা পালন নকৰে, সেই লোক সকলক তেওঁ জ্বলন্ত অগ্নিত প্ৰতিশোধ লব। **9**তেওঁলোক প্ৰভুৰ লগত থকাৰ পৰা আৰু
তেওঁৰ পৰাক্ৰমৰ প্ৰতাপৰ পৰা দূৰৈত থাকি, বিনাশৰ অৰ্থে অনন্ত দণ্ড ভোগ কৰিব। **10**সেইদিনা যীচু যেতিয়া নিজৰ পবিত্ৰ লোক সকলৰ দ্বাৰা
মহিমান্বিত হবলৈ আহিব, তেতিয়া বিশ্বাস কৰা সকলোৰে আচৰিত হ’ব; আপোনালোকো সেই বিশ্বাসী সকলৰ মাজত আছে, কাৰণ
আপোনালোকে আমাৰ সাক্ষ্য বিশ্বাস কৰিলে। **11**এই কাৰণে আমিও আপোনালোকৰ বাবে সদায় প্ৰাৰ্থনা কৰি থাকো, যাতে আমাৰ ঈশ্বৰে
আপোনালোকক তেওঁৰ আমন্ত্ৰণৰ যোগ্যপাত্ৰ বুলি গণ্য কৰিব৷ তাতে তেওঁৰ শক্তিত আপোনালোকে যেন মঙ্গলভাৱেৰে সকলো ভাল কাম কৰাৰ
ইচ্ছা আৰু বিশ্বাসৰ প্ৰতিটো কাৰ্য যেন সম্পূৰ্ণ কৰে; **12**আমাৰ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ অনুসাৰে আমাৰ প্ৰভু যীচুৰ নাম যেন
আপোনালোকৰ দ্বাৰাই মহিমান্বিত হয় আৰু আপোনালোকো তেওঁত মহিমান্বিত হওক।

# ১ অধ্যায় 2

## যীচুৰ পুণৰাগমন

1হে ভাই সকল, এতিয়া আমি আপোনালোকক অনুৰোধ কৰোঁ যে, আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ আগমণ আৰু তেওঁৰ ওচৰত আমি গোট খোৱাৰ
বিষয়ে আপোনালোকে জানি লওক- 2আমি ʼাপোনালোকক কওঁ, ‘প্ৰভুৰ দিন ইতিমধ্যে আহিল’ এই বুলি আপোনালোকৰ মন সহজতে
অস্থিৰ নহওক নাইবা ব্যাকুল নহওক। কোনো কোনোৱে হয়তো আত্মাৰ দ্বাৰাই বা অন্য কাৰোবাৰ কথাৰ দ্বাৰাই অথবা আমি লিখা কোনো
চিঠিৰ দ্বাৰাই এই বুলি কব পাৰে। 3আপোনালোকক কোনোৰূপে কাকো ভুলাবলৈ নিদিব; কিয়নো সেইদিন অহাৰ আগেয়ে ঈশ্বৰৰ বিৰুদ্ধে ধৰ্ম
পৰিত্যাগ কৰা দেখা যাব। সেই অবাধ্যতাৰ পুৰুষ যি বিনাশৰ পুত্ৰ, সি প্ৰকাশিত হ’ব; 4ঈশ্বৰ নামেৰে খ্যাত আৰু উপাসনাৰ যোগ্য যি সকলো
আছে, সেই অবাধ্যতাৰ পুৰুষে সকলোৰে বিৰুদ্ধে থিয় হৈ নিজকে ওখত প্ৰতিস্থিত কৰিব। এনে কি, ঈশ্বৰৰ মন্দিৰত বহি নিজকে নিজে ঈশ্বৰ
বুলি প্ৰচাৰ কৰি দেখুৱাব। 5এইবোৰ যে ঘটিব সেই কথা মই আপোনালোকৰ লগত থাকোতেই আপোনালোকক কৈছিলোঁ; সেই বিষয়ে
আপোনালোকৰ মনত নপৰে নে? 6সেই অবাধ্যতাৰ পুৰুষক কেৱল তাৰ নিৰূপিত কালতহে প্ৰকাশিত হবলৈ কিহে বাধা দি ৰাখিছে, সেয়া
আপোনালোকে জানে। 7কিয়নো ঈশ্বৰৰ অবাধ্যতাৰ সেই গোপন তত্ত্বই এতিয়াও কাৰ্য সাধন কৰি আছে; কেৱল এজন আছে যি জনে বৰ্তমান
তাক প্ৰকাশ হোৱাত বাধা দি ৰাখিছে; তাক দূৰ নকৰা পৰ্যন্ত বাধা দিয়ে থাকিব। 8তাৰ পাছত সেই অবাধ্যতাৰ পুৰুষ জন প্ৰকাশিত হ’ব আৰু
প্ৰভু যীচুৱে তেওঁৰ মুখৰ নিশ্বাসৰ দ্বাৰাই তাক ধ্বংস কৰিব আৰু তেওঁৰ আগমণৰ আবিৰ্ভাৱৰ দ্বাৰাই তাক শেষ কৰিব। 9চয়তানৰ শক্তিত সেই
অবাধ্যতাৰ পুৰুষ আহিব। সি সকলো মিছা পৰাক্ৰম কাৰ্য, আচৰিত চিন আৰু অদ্ভুত লক্ষণ দেখুৱাব; 10বিনাশ পথৰ যাত্ৰী সকলক
অধাৰ্মিকতাৰ ছলনাৰে সকলো ধৰণৰ প্ৰৱঞ্চনা কৰিব। কিয়নো, এই লোক সকলে পৰিত্ৰাণ পাবৰ কাৰণে সত্যতাৰ প্ৰেমৰ কাৰ্যক গ্ৰহণ
নকৰিলে। 11সেয়েহে তেওঁলোকে যাতে মিছাত বিশ্বাস কৰিব, তাৰ বাবে ঈশ্বৰে তেওঁলোকলৈ এক ভ্ৰান্তিজনক কাৰ্য কৰা শক্তি পঠাব। 12যি
সকলে সত্যতাত বিশ্বাস নকৰাকৈ অধাৰ্মিকতাত আনন্দিত হ’ল, সেই লোক সকলৰ সোধ-বিচাৰ হ’ব।

## প্ৰভুত থিৰে থাকিবলৈ উপদেশ

13প্ৰভুৰ প্ৰিয় ভাই সকল, আপোনালোকৰ কাৰণে ঈশ্বৰক সকলো সময়তে ধন্যবাদ দিয়া আমাৰ কৰ্ত্তব্য; কিয়নো আত্মাই আপোনালোকক
পবিত্ৰতালৈ আনিলে আৰু সত্যক বিশ্বাস কৰাৰ মাধ্যমেৰে পৰিত্ৰাণ পাবৰ কাৰণে ঈশ্বৰে আদিৰে পৰা আপোনালোকক প্ৰথম ফলৰূপে
মনোনীত কৰিলে। 14আমাৰ শুভবাৰ্তাৰ দ্বাৰাই পৰিত্ৰাণ পাবলৈ তেওঁ আপোনালোকক আমন্ত্ৰণ কৰিলে যাতে আপোনালোকে আমাৰ প্ৰভু যীচু
খ্ৰীষ্টৰ গৌৰৱৰ ভাগী হয়। 15এই হেতুকে, হে ভাই সকল, থিৰে থাকক; পত্ৰৰ দ্বাৰা বা কথাৰ দ্বাৰাই যি যি শিক্ষা আমি আপোনালোকক দিলোঁ,
সেই সকলোকে ধৰি ৰাখক।

16এতিয়া আমাৰ প্ৰভু যীচু খ্ৰীষ্টে নিজে আৰু যি জনে আমাক প্ৰেম কৰি, আমাক অনন্ত সান্ত্বনা আৰু ভৱিষ্যতৰ উত্তম আশা অনুগ্ৰহেৰে দিলে,
আমাৰ সেই পিতৃ ঈশ্বৰে আপোনালোকৰ হৃদয়ক সান্ত্বনা দিয়ক; 17আৰু সকলো সৎ কৰ্ম আৰু সদবাক্যত আপোনালোকৰ মন সুস্থিৰ কৰক।

# ২ অধ্যায় 3

## প্ৰাৰ্থনাৰ কাৰণে অনুৰোধ

1শেষতে, হে ভাই সকল, আমাৰ কাৰণে প্ৰাৰ্থনা কৰক। প্ৰাৰ্থনা কৰক যাতে আপোনালোকৰ মাজত প্ৰভুৰ বাক্য যেনেকৈ দ্ৰুতগতিত প্ৰসাৰিত
হৈছিল, তেনেকৈ বিস্তাৰিত আৰু গৌৰৱান্বিত হওক; 2প্ৰাৰ্থনা কৰক যেন দুৰাচাৰী আৰু দুষ্ট লোকৰ হাতৰ পৰা আমি ৰক্ষা পাওঁ; কিয়নো,
সকলো লোকৰ যে বিশ্বাস আছে, এনে নহয়। 3কিন্তু, প্ৰভু বিশ্বাসী; তেৱেঁই আপোনালোকক সুস্থিৰ কৰিব আৰু দুষ্ট শক্তি চয়তানৰ হাতৰ পৰা
ৰক্ষা কৰিব।

4আপোনালোকৰ সম্বন্ধে প্ৰভুত আমাৰ দৃঢ় বিশ্বাস আছে যে, আমি দিয়া সকলো আদেশ আপোনালোকে পালন কৰিছে আৰু আগলৈও কৰি
থাকিব। 5প্ৰভুৱে আপোনালোকৰ হৃদয়ক ঈশ্বৰৰ প্ৰেম আৰু খ্ৰীষ্টৰ ধৈৰ্যৰ পথত চলাওঁক।

## অনিয়মকৈ চলাৰ বিষয়ে উপদেশ

6ভাই সকল, আমি আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ নামেৰে আপোনালোকক এই আদেশ দিওঁ যে, কোনো ভায়ে যদি অনিয়মকৈ চলে আৰু আমাৰ পৰা
আপোনালোকে পোৱা শিক্ষা অনুসাৰে নচলে, তেনেহলে তাৰ লগ এৰক। 7কিয়নো আমাৰ অনুকাৰী কেনেকৈ হ’ব লাগে, সেই বিষয়ে
আপোনালোকে নিজে জানে। আপোনালোকৰ মাজত থকাৰ সময়ত আমি অনিয়মকৈ চলা নাছিলো; 8মূল্য নিদিয়াকৈ আমি কাৰো আহাৰ গ্ৰহণ

কৰা নাছিলো। ইয়াৰ পৰিৱৰ্তে আমি আপোনালোকৰ কাৰো ওপৰত বোজা নহবলৈ দিনে-ৰাতিয়ে পৰিশ্ৰম আৰু কষ্টেৰে কাম কৰিছিলোঁ। 9ইয়াত
আমাৰ যে ক্ষমতা নাই, এনে নহয়; কিন্তু আপোনালোক যেন আমাৰ অনুকাৰী হয়, তাৰ বাবে আপোনালোকৰ ওচৰত আমি আৰ্হি হবলৈহে
ইয়াকে কৰিলোঁ।

10কাম কৰিবলৈ যদি কোনোৱে অসন্মত হয়, তেনেহলে তেওঁ আহাৰো গ্ৰহন নকৰক, এই বুলি আপোনালোকৰ মাজত থাকোতেই, আমি
আপোনালোকক আদেশ দিছিলোঁ। 11কাৰণ, আমি শুনিবলৈ পাওঁ যে, আপোনালোকৰ কোনো কোনোৱে অনিয়মকৈ চলে আৰু একো কাম
নকৰি অনাধিকাৰ চৰ্চ্চা কৰি ফুৰে। 12এনে লোক সকলক আমি প্ৰভু যীচু খ্ৰীষ্টৰ নামেৰে আদেশ আৰু উপদেশ দিওঁ, তেওঁলোকে শান্তভাবে কাম
কৰি নিজৰ নিজৰ আহাৰ ভোজন কৰক। 13হে থিচলনীকীয়াৰ ভাই সকল, সৎ কাম কৰাত আপোনালোক কেতিয়াও নিৰুৎসাহ নহ'ব। 14এই
পত্ৰৰ দ্বাৰাই জনোৱা আমাৰ বাক্য কোনোৱে যদি নামানে, তেনেহলে আপোনালোকে সেই মানুহক চিনি ৰাখিব আৰু তেওঁ লাজ পাবলৈ তেৱেঁ
সৈতে আলাপ-ব্যৱহাৰো নকৰিব; 15কিন্তু তেওঁক শত্ৰুৰদৰে জ্ঞান নকৰিব, বৰং ভাই বুলি চেতনা দিয়ক।

## শেষ কথা

16এতিয়া শান্তিদাতা প্ৰভুৱে নিজে সকলো সময়ত সকলোভাৱে আপোনালোকক শান্তি দান কৰক। প্ৰভু আপোনালোক সকলোৰে সঙ্গী হওক।
17মোৰ এই শুভেচ্ছা, মই পৌলে নিজ হাতে লিখিলোঁ; এয়েই মোৰ প্ৰত্যেক পত্ৰৰ চিন; মই এনেকৈয়ে লিখো। 18আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ
আপোনালোক সকলোৰে লগত থাকক।

# অবদানকারী

## Assamese Unlocked Literal Bible অবদানকারী

Ajit Kumar Singha
Antoney Raj
Basanta Kumar Sarma
Cdr. Thomas Mathew
Dr. Bobby Chellappan
Hinal Prakash
Jobby Prasannan
Jumi Devi
Kanika Dhar
Kavita Bora
Merlyn Easa
Numali Tara
Rev. Tarun Singha
Rinu John
Sangeet Momin
Shojo John
Door43 World Missions Community

## Tischendorf Greek New Testament 8th edition অবদানকারী

eBible.org
Clint Yale
Dr. Maurice A. Robinson
Ulrik Sandborg-Petersen
Door43 World Missions Community